অধ্যায় ১৩ঃ গৱেষণাৰ আঁচনি-সাৰ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ প্ৰাপ্ত সাহিত্যৰ পুনৰীক্ষণ

১৩.৪ প্ৰাক্ কল্পনা

১৩.৫ তথ্য আৰু উৎস

১৩.৬ গৱেষণা প্ৰক্ৰিয়া

১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৮ অধিক জানিবলৈ

১৩.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১৩.১০ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গৱেষণা কৰ্মত অগ্ৰসৰ হওতে বা হ'বলৈ প্ৰাপ্ত সাহিত্যৰ পুনৰীক্ষণ কেনেকৈ কৰিব তাৰ ধাৰণা লাভ কৰিব।
- গৱেষণাৰ প্ৰাক্কল্পনা কি আৰু ই গৱেষণাত কেনেকৈ সহায় কৰে তাৰ ধাৰণা পাব।
- গৱেষণাৰ তথ্য আৰু উৎস কি? ইয়াৰ গুৰুত্ব সম্পৰ্কে জানিব পাৰিব।
- গৱেষণা প্ৰক্ৰিয়াৰ ধাৰণা লাভ কৰিব ।

১৩.৩ পৰিচয়

ইতিমধ্যে আগৰ অধ্যায়টোত আপুনি গৱেষণা কি, ইয়াৰ প্ৰয়োজনীয়তা, গৱেষণাৰ গুৰুত্ব, ইয়াৰ বিভিন্ন প্ৰকাৰৰ সৈতে পৰিচিত হৈছে। এই অধ্যায়ত আমি গৱেষণা আঁচনি-সাৰ আৰু ইয়াৰ প্ৰক্ৰিয়াৰ অন্তৰালৰ কেতবোৰ দিশৰ সম্পৰ্কে আলোচনা কৰিম । তথ্য সংগ্ৰহ আৰু বিশ্লেষণ প্ৰক্ৰিয়াৰ যোগেদি অধ্যয়নৰ ফলাফলৰ বৈধতা আৰু নিৰ্ভৰযোগ্যতা নিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় প্ৰাপ্ত সাহিত্যৰ পুনৰীক্ষণ আৰু তথ্যৰ উৎস, সংগ্ৰহ আদি দিশবিলাকৰ আলোচনা এই অধ্যায়ত সামৰি লোৱা হৈছে। এই আলোচনাৰ পৰা আপুনি গৱেষক হিচাপে গৱেষণাৰ প্ৰকাৰ্যৰ মূল উপাদানসমূহৰ বিষয়ে অন্তৰ্দৃষ্টি লাভ কৰিব। গৱেষণাৰ পৰিকল্পনাৰ তাৎপৰ্য্য, পৰিকল্পনাৰ কৌশল, পদ্ধতিৰ সৈতে ইয়াৰ অগ্ৰগতিৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰা হৈছে। গৱেষণা প্ৰক্ৰিয়াৰ এক গুৰুত্বপূৰ্ণ উপাদান প্ৰাপ্ত সাহিত্যৰ পুনৰীক্ষণ। গৱেষণা

বিষয়ৰ সৈতে সম্পৰ্ক থকা ৰচনা বা গ্ৰন্থসমূহৰ পদ্ধতিগতভাৱে পৰীক্ষা কৰাটো নিত্যান্তই গুৰুত্বপূৰ্ণ কাম। এই পদক্ষেপে গৱেষণামূলক অধ্যয়নৰ ভেটি হিচাপে কাম কৰে, যিয়ে গৱেষকসকলক পাৰ্থক্য, তুলনা, বিতৰ্ক আৰু অনুসন্ধানৰ বাবে ক্ষেত্ৰসমূহ চিনাক্ত কৰাত সহায় কৰে। প্ৰাপ্ত সাহিত্যৰ পুনৰীক্ষণত প্ৰাসংগিক অধ্যয়নৰ সন্ধান কৰা, সমালোচনাত্মকভাৱে মূল্যায়ন কৰা আৰু মূল বিষয়বস্তু আৰু পদ্ধতিসমূহ সংশ্লেষণ কৰা আদি পদক্ষেপসমূহ জড়িত হৈ আছে। একেদৰেই গৱেষণাত তথ্য আৰু উৎসৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। গৱেষকসকলে বিশ্লেষণ কৰি সিদ্ধান্ত লোৱাৰ বাবে ব্যৱহাৰ কৰা কেঁচা সমলেই হৈছে- তথ্য। পৰিমাণগত আৰু গুণগতকে ধৰি বিভিন্ন ধৰণৰ গৱেষণা তথ্যৰ ভিত্তিতেই আগবাঢ়ি যায় আৰু গৱেষণা প্ৰশ্নসমূহৰ সমাধান সূত্ৰ নিৰ্ণয় কৰিবলৈ চেষ্টা কৰে। গৱেষণাৰ এই তথ্যৰ ভিত্তিক আমি উৎস বুলি কওঁ আৰু ইয়াৰ প্ৰকাৰৰ বিষয়েও আমি ইয়াত আলোচনা কৰিম। এই উৎসৰ সঠিক উপস্থাপন শৈলীয়ে কিদৰে তথ্যৰ বিশ্বাসযোগ্যতা গঢ়ি তোলে তাৰ ধাৰণাও এই অধ্যায়ত লাভ কৰিব।

১৩.৩ প্ৰাপ্ত সাহিত্যৰ পুনৰীক্ষণ

প্ৰাপ্ত সাহিত্যৰ পৰ্যালোচনা গৱেষণা প্ৰক্ৰিয়াৰ এক গুৰুত্বপূৰ্ণ উপাদান য'ত গৱেষণা বিষয়ৰ সৈতে সম্পৰ্কিত ইতিমধ্যে উপলব্ধ গ্ৰন্থ, ৰচনাসমূহ পদ্ধতিগতভাৱে বিচাৰ কৰা হয়। প্ৰাপ্ত সাহিত্যৰ পৰ্যালোচনাই গৱেষণামূলক অধ্যয়নৰ ভেটি হিচাপে কাম কৰে। ই বিশেষ ক্ষেত্ৰত জ্ঞানৰ বৰ্তমানৰ অৱস্থাৰ বিষয়ে ধাৰণা দিয়ে। সেই নিৰ্দিষ্ট বিষয় সম্পৰ্কে ইতিমধ্যে হৈ থকা বা হৈ যোৱা অন্বেষণৰ সৈতে পৰিচয় কৰাই দিয়ে।। ইয়াৰ দ্বাৰা গৱেষকসকলে গৱেষণাৰ উন্মোচিত নোহোৱা দিশবোৰ, ব্যৱধান, বিতৰ্ক আৰু অধিক অনুসন্ধানৰ প্ৰয়োজনীয়তা থকা ক্ষেত্ৰসমূহ চিনাক্ত কৰিব পাৰে আৰু গৱেষণামূলক প্ৰশ্নসমূহ প্ৰস্তুত কৰিব পাৰে।

প্ৰাপ্ত সাহিত্যৰ পুনৰীক্ষণে গৱেষণা প্ৰক্ৰিয়াক পথ প্ৰদৰ্শন কৰে। গৱেষকসকলক উপলব্ধ জ্ঞানৰ ওপৰত স্থিতি আৰু পদক্ষেপ লোৱাত সহায় কৰে। ইতিপূৰ্বে হৈ যোৱা অন্বেষণ আৰু প্ৰচেষ্টা অনৰ্থক পুনৰ কৰাৰ পৰা বিৰত ৰাখে আৰু গৱেষণামূলক প্ৰশ্নসমূহ পৰিশোধন কৰি নতুন প্ৰশ্ন আৰু সিদ্ধান্তত উপনীত হ'বলৈ সহায় কৰে। ই তাত্ত্বিক আৰু অভিজ্ঞতাভিত্তিক পৰিৱেশ বুজিবলৈ প্ৰয়োজন হোৱা দিশ বিলাকৰ আভাস দিয়ে আৰু গৱেষণা যাতে প্ৰাসংগিক, অৰ্থপূৰ্ণ হয় সেয়া নিশ্চিত কৰে।

প্ৰাপ্ত সাহিত্যৰ পুনৰীক্ষণ এক বিশেষ প্ৰক্ৰিয়া, গৱেষকসকলে কিছু পদ্ধতিগত দিশৰ মাজেৰে আগবাঢ়ে। চেকাৱন আৰু বৌগীয়ে এই প্ৰক্ৰিয়াৰ বিভিন্ন স্তৰবিলাক - প্ৰাসংগিক অধ্যয়নৰ সন্ধান কৰা, সেইবোৰ পঢ়া আৰু সমালোচনাত্মকভাৱে মূল্যায়ন কৰা, মূল বিষয়বস্তু আৰু পদ্ধতি চিনাক্ত কৰা, আৰু তথ্যসমূহ সংশ্লেষণ কৰা আদি বুলি ক'ব খোজে। গৱেষকসকলে ইতিমধ্যে থকা জ্ঞানৰ ভঁৰালৰ বিষয়ে এক ধাৰণা লাভ কৰি অধ্যয়নৰ বিশাল দিশ উন্মোচন কৰিবলৈ প্ৰণালীয়ে সহায় কৰে। এইটো ঠিক যে, প্ৰাপ্ত সাহিত্যৰ পুনৰীক্ষণ বাবে বিবেচনাশীল আৰু

বিশ্লেষণাত্মক মানসিকতাৰ প্ৰয়োজন। ক্ৰেছৱেলে গৱেষকসকলক অধ্যয়নসমূহৰ মানদণ্ড, ইয়াৰ পদ্ধতি, মূল তথ্য আৰু সীমাবদ্ধতাসমূহ পৰীক্ষা কৰি সমালোচনাত্মকভাৱে মূল্যায়ন কৰিবলৈ উপদেশ দিছে। ইয়াৰ উপৰিও গৱেষকসকলে প্ৰাপ্ত সাহিত্যক শ্ৰেণীভুক্ত আৰু সংগঠিত কৰি সেইবোৰৰ আৰ্হি আৰু ধাৰা চিনাক্ত কৰিব লাগে।

গতিকে দেখা যায়, প্ৰাপ্ত সাহিত্যৰ পুনৰীক্ষণ গৱেষণা প্ৰক্ৰিয়াৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ, ই কোনো বিষয় বা ক্ষেত্ৰৰ জ্ঞানৰ বৰ্তমানৰ অৱস্থাৰ বিষয়ে অন্তৰ্দৃষ্টি প্ৰদান কৰে আৰু গৱেষণামূলক প্ৰশ্ন সঠিক কৰি সিদ্ধান্তত উপনীত হ'বলৈ সহায় কৰে । নিৰ্বাচিত প্ৰাপ্ত সাহিত্যৰ সুসংগঠিত পুনৰীক্ষণে গৱেষণাৰ দিক নিৰ্ণয় কৰা, অলাগতীয়াল দিশবোৰ এৰাই চলাত আৰু শৈক্ষিক সমাজলৈ অৰ্থপূৰ্ণ অৱিহণা যোগোৱাত সহায় কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ গৱেষণাত প্ৰাপ্ত সাহিত্যৰ পুনৰীক্ষণৰ গুৰুত্ব বিষয়ে লিখক (প্ৰায় ১০০ শব্দৰ ভিতৰত)

১৩.৪ প্ৰাক্-কল্পনা

গৱেষণা প্ৰাক্-কল্পনা বা পৰিকল্পনা হৈছে এক বিশেষ নথি, এক বিশেষ স্তৰ যিয়ে গৱেষকক এটা অধ্যয়ন কৰিবলৈ লোৱা পদ্ধতিৰ নিৰ্দিষ্ট পদক্ষেপসমূহৰ ৰূপৰেখা দাঙি ধৰে। গৱেষণা পৰিকল্পনাই পথ নিৰ্দেশনা হিচাপে কাম কৰে। গৱেষণা প্ৰক্ৰিয়াৰ প্ৰতিটো পৰ্যায়ৰ বাবে কৌশল, পদ্ধতি আৰু সময়সীমাক সোঁৱৰাই থাকে এই প্ৰাক্-কল্পনাই। গৱেষণা যাতে সংগঠিত, কাৰ্যক্ষম আৰু স্বচ্ছভাৱে কৰা হয়, তাৰ ক্ষেত্ৰত ই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। গৱেষণা প্ৰাক্-কল্পনাই অধ্যয়ন সম্পন্ন কৰাৰ বাবে এক গাঁথনি প্ৰদান কৰে। এটা সুনিৰ্মিত গৱেষণা পৰিকল্পনাই গৱেষকসকলক তেওঁলোকৰ লক্ষ্যৰ পৰা বিচ্যুতি নোহোৱাকৈ গৱেষণাত মনোনিৱেশ কৰাত সহায় কৰে। গৱেষণা প্ৰক্ৰিয়াৰ জটিলতাসমূহৰ পৰা গৱেষক এজনক আঁতৰাই ৰাখি অধ্যয়নৰ স্পষ্টতা বজাই ৰাখে।

গৱেষণা প্ৰকল্প এটাৰ সামগ্ৰিক গুণগত মান আৰু বৈধতা ৰক্ষা কৰে পৰিকল্পনাই। লিডি আৰু অৰমৰডৰ মতে, সুহংহত পৰিকল্পনাই গৱেষকসকলে নৈতিক মানদণ্ড মানি চলা, উপযুক্ত পদ্ধতি ব্যৱহাৰ কৰা আৰু পদ্ধতিগতভাৱে তথ্য সংগ্ৰহ কৰা- এইবোৰ দিশ নিশ্চিত কৰে। কেতিয়াবা গৱেষক আৰু অংশীদাৰসকলৰ যোগাযোগৰ স্বচ্ছতা প্ৰাক্-কল্পনাৰ যোগেদি ৰক্ষিত হয়। বিশেষকৈ একাধিক ব্যক্তি জড়িত থকা জটিল গৱেষণাত দলৰ মাজৰ সহযোগিতা ৰক্ষাৰ দিশতো প্ৰাক্-কল্পনাই বিশেষ ভূমিকা পালন কৰে ।

গতিকে গৱেষণা পৰিকল্পনা হৈছে গৱেষণা এক মৌলিক স্তৰ যিয়ে অধ্যয়নৰ পথ

পদ্ধতিগত কৰি তোলে। গৱেষণাৰ গাঁথনি, মনোযোগ, নৈতিকতা, স্বচ্ছতা, বিশ্বাসযোগ্যতা এই আটাইবোৰ দিশ প্ৰাক্-কল্পনাৰ ওপৰতেই নিৰ্ভৰ কৰে ।

১৩.৫ তথ্য আৰু উৎস

গৱেষণাৰ তথ্যঃ

সাধাৰণ অৰ্থত তথ্য হৈছে এক বিষয় বা বিৱৰণৰ সৰু একক বা এটা গোট। যিবোৰৰ নিজা অৰ্থ অতি সৰু। কিন্তু ইয়াৰ প্ৰাসংগিক আন দিশবোৰৰ লগত ই বিশেষ অৰ্থ বহন কৰে। গৱেষণাৰ তথ্য বুলিলে নিৰ্দিষ্ট প্ৰশ্নৰ উত্তৰ বা পৰীক্ষামূলক অনুমানৰ উত্তৰ দিবলৈ গৱেষণামূলক অধ্যয়নৰ সময়ত সংগ্ৰহ কৰা প্ৰাপ্ত ধাৰণাকেই বুজা যায়। গৱেষণাৰ তথ্য বিভিন্ন ধৰণৰ হ'ব পাৰে- সংখ্যা, শব্দ, ছবি বা পৰ্যবেক্ষণ ইত্যাদি। গৱেষকসকলে বিশ্লেষণ কৰিবলৈ লোৱা মূল আধাৰ হৈছে তথ্য আৰু উপনীত হোৱা সিদ্ধান্তও মূলত তথ্যই। তথ্য গৱেষণাৰ ইন্ধন স্বৰূপ। তথ্যৰ পৰাই গৱেষণা আগবাঢ়ে আৰু ফলপ্ৰাপ্তিও তথ্যতেই শেষ হয়গৈ।

গৱেষণাৰ তথ্যক ব্যাপকভাৱে দুটা মূল ভাগত ভাগ কৰিব পাৰি- পৰিমাণগত আৰু গুণগত। পৰিমাণগত তথ্যত সংখ্যাগত তথ্য জড়িত হৈ থাকে আৰু ই প্ৰায়ে জোখ-মাখ কৰিব পৰা, মান বিশেষৰ হয়। এই ধৰণৰ তথ্য পৰিসংখ্যা বিশ্লেষণৰ বাবে উপযোগী আৰু ইয়াত উচ্চতা, ওজন বা নম্বৰৰ দৰে চলকসমূহ অন্তৰ্ভুক্ত কৰা হয়। আনহাতে, গুণগত তথ্যত অসংখ্যাগত তথ্য বিলাক ধৰা হয়। যেনে শব্দ, ভাষ্য, ছবি ইত্যাদি।

গৱেষণাত তথ্যই অৰ্থপূৰ্ণ অন্তৰ্দৃষ্টি প্ৰদান কৰাৰ লগতে সিদ্ধান্তৰ ভেটি তৈয়াৰ কৰে। উদাহৰণস্বৰূপে, চিকিৎসা বিজ্ঞানৰ অধ্যয়নত ৰোগীৰ ৰক্তচাপ বা তেজৰ আন আন মাত্ৰাৰ পৰিৱৰ্তনৰ জোখ-মাখ চাই ঔষধৰ ফলপ্ৰসূতাৰ পৰিমাণগত তথ্য আহৰণ কৰা হয়। আনহাতে, ৰোগীৰ অভিজ্ঞতা আৰু চিকিৎসাৰ ধাৰণা বুজিবলৈ সাক্ষাৎকাৰৰ জৰিয়তে গুণগত তথ্য সংগ্ৰহ কৰা হয়। দুয়োবিধ তথ্যৰ সহায়ত গৱেষণামূলক প্ৰশ্নটোৰ বিষয়ে ধাৰণা স্পষ্ট কৰা হয়। গৱেষকসকলে বিভিন্ন পৰিসংখ্যাগত বা গুণগত পদ্ধতি ব্যৱহাৰ কৰি তথ্যসমূহৰ বিশ্লেষণ আৰু ব্যাখ্যা আগবঢ়ায়।

পৰিমাণগত তথ্য প্ৰায়ে জৰীপ, পৰীক্ষা বা গাঁথনিগত পৰ্যবেক্ষণৰ জৰিয়তে সংগ্ৰহ কৰা হয় আৰু সেইবোৰক জুখি-মাখি সাংখ্যিক ৰূপত লিখিব পাৰি। উদাহৰণস্বৰূপে, জৰীপৰ জৰিয়তে শৈক্ষিক গৱেষণাত পৰীক্ষাৰ নম্বৰৰ চলকসমূহ পৰিমাপ কৰি ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক প্ৰদৰ্শনৰ পৰিমাণগত তথ্য সংগ্ৰহ কৰা হয়। তাৰ পিছত সংগ্ৰহ কৰা সাংখ্যিক তথ্যসমূহ পৰিসংখ্যাগতভাৱে বিশ্লেষণ কৰি আৰ্হি, সম্পৰ্ক বা পাৰ্থক্য চিনাক্ত কৰা হয়।

আনহাতে, সাক্ষাৎকাৰ, নিৰীক্ষণ বা অংশগ্ৰহণকাৰীৰ পৰ্যবেক্ষণৰ জৰিয়তে অভিজ্ঞতাৰ ভিত্তিত গুণগত তথ্য সংগ্ৰহ কৰা হয়। সমাজ বিজ্ঞানত গুণগত তথ্যৰ লগত ব্যক্তিৰ ধাৰণা, মনোভাৱ বা আচৰণৰ কথাও জড়িত হৈ থাকে। উদাহৰণস্বৰূপে, কৰ্মক্ষেত্ৰৰ ওপৰত কৰা অধ্যয়নত

কর্মচাৰীৰ সাক্ষাৎকাৰৰ জৰিয়তে সংগ্রহ কৰা গুণগত তথ্য ব্যৱহাৰ কৰি চাকৰিৰ সন্তুষ্টি, নেতৃত্ব, শৈলী আদি দিশবোৰ উন্মোচন কৰা হয়।

গৱেষণাৰ উৎসঃ

উৎস বুলিলে গৱেষণাত আহৰণ কৰা তথ্যসমূহৰ মূল বা আধাৰক বুজায়। গৱেষণাত যিবোৰ তথ্য আহৰণ বা বিশ্লেষণ কৰা হয়- সেইবোৰ যিবোৰ মূলৰ পৰা আহৰণ কৰা হৈছে- সেয়াই উৎস। এই উৎসসমূহ কিতাপ, প্রবন্ধ, আলোচনী, সাক্ষাৎকাৰ, ৱেবছাইট, ক্ষেত্র আদি বিভিন্ন ধৰণৰ হ'ব পাৰে। গৱেষণাত উৎসৰ বিশেষ ভূমিকা আছে। লাগতীয়াল আৰু অলাগতীয়াল বহু তথ্যই আমাৰ চৌপাশে উপলব্ধ। কিন্তু কেনেকুৱা তথ্য আহৰণ কৰিব আৰু ক'ৰ পৰা কৰিব সেয়া গৱেষকৰ বাবেই বৰ গুৰুত্বপূর্ণ সিদ্ধান্ত। প্রাসংগিক, বিশ্বাসযোগ্য উৎসই তথ্যৰ গুৰুত্ব বঢ়ায়। কোথাৰীৰ মতেও নির্ভৰযোগ্য আৰু প্রাসংগিক উৎসইহে গৱেষণাক গুৰুত্বপূর্ণ আৰু সফল কৰি তোলে। উৎসসমূহৰ সঠিক উদ্ধৃতি দিয়া গৱেষকৰ নৈতিক দায়িত্ব আৰু কর্তব্যত পৰে (কোথাৰী ২০০৪)।

গৱেষণাৰ উৎসসমূহক প্রাথমিক বা মুখ্য (Primary Source) আৰু গৌণ উৎস (Secondary Source) ত ভাগ কৰা হয়। প্রাথমিক উৎস হ'ল প্রত্যক্ষ বিৱৰণ, মৌলিক ৰচনা- যেনে সৃষ্টিশীল সাহিত্য, নথিপত্র, ডায়েৰী, সাক্ষাৎকাৰ ইত্যাদি। প্রাথমিক বা মুখ্য উৎসই বিষয়ৰ মুখ্য বা প্রত্যক্ষ অন্তর্দৃষ্টি প্রদান কৰে। আনহাতে গৌণ উৎসই প্রাথমিক উৎসৰ ব্যাখ্যা বা বিশ্লেষণ কৰে। ইয়াৰ ভিতৰত পাঠ্যপুথি, সমালোচনা বা প্রাথমিক উৎসৰ পৰা তথ্যৰ বিষয়ে কৰা আলোচনা, নিবন্ধ থাকে (Creswell, 2014, Leedy & Ormrod, 2015)। প্রাথমিক বা মুখ্য উৎসই বিষয় সম্পর্কে প্রাথমিক আৰু প্রত্যক্ষ সমল-তথ্য প্রদান কৰে আৰু গৌণ সমলে মুখ্য সমলৰ স্বৰূপ আৰু পৰিমণ্ডল বুজি উঠাত সহায় কৰে। বিশ্বাসযোগ্যতা গঢ়ি তোলা আৰু গৱেষণামূলক অধ্যয়নত কৰা দাবীসমূহ সমর্থন কৰাত উৎসসমূহেই বিশেষ ভূমিকা পালন কৰে। উদাহৰণস্বৰূপে, জলবায়ু পৰিৱর্তনৰ ওপৰত লিখা এখন বৈজ্ঞানিক গৱেষণা পত্রত প্রাথমিক উৎসসমূহৰ ভিতৰত বতৰ কেন্দ্রৰ পৰা সংগ্রহ কৰা তথ্য বা মূল তথ্য উপস্থাপন কৰা গৱেষণামূলক প্রবন্ধ অন্তর্ভুক্ত হ'ব পাৰে। গৌণ উৎসসমূহৰ ভিতৰত থাকিব পাৰে সমালোচক-পর্যবেক্ষকৰ পর্যালোচনা যিয়ে বর্তমানৰ জলবায়ু পৰিৱর্তনৰ গৱেষণা বিশ্লেষণ আৰু সংশ্লেষণ কৰে। এই উৎসসমূহৰ সঠিক উদ্ধৃতিয়ে গৱেষকসকলৰ অনুসন্ধানৰ গভীৰতা স্পষ্ট কৰে আৰু পাঠকসকলক অধিক অন্বেষণৰ বাট দেখুৱায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ গৱেষণাৰ তথ্য বুলিলে কি বুজে? তথ্যৰ উৎস কি আৰু ইয়াৰ গুৰুত্বৰ বিষয়ে লিখক (১০০ শব্দৰ ভিতৰত)।

উৎসৰ সঠিক উল্লেখ আৰু উদ্ধৃতি, স্বীকৃতি নিশ্চিতকৰণৰ বাবে বিদ্যায়তনিক গৱেষণাত বিশেষ কিছুমান শৈলী আছে। লিখিত পাঠৰ মাজত (in text), কেতিয়াবা শেষত এনে উৎসৰ স্বীকাৰ কৰা হয়। উৎসৰ সাধাৰণ শৈলীসমূহৰ ভিতৰত এপিএ (আমেৰিকান চাইক'লজিকেল এছ'চিয়েচন), এমএলএ (মডার্ণ লেংগুৱেজ এছ'চিয়েচন),আৰু চিকাগো ইত্যাদি জনপ্রিয় আৰু বহুলভাবে প্রচলিত। এনে শৈলীয়ে উৎস নির্ধাৰণৰ এক সার্বজনীন বোধ গঢ়ি তোলে। প্রত্যেক শৈলীৰ কিছু নিজস্ব বিশেষত্ব থাকে। সময় অনুসৰি সিবোৰৰ সাল-সলনিও হৈ থাকে। উদাহৰণস্বৰূপে, এপিএ শৈলীত লেখকৰ শেষ নাম আৰু প্রকাশৰ বছৰ লিখনীত তালিকাভুক্ত কৰা হয় আৰু সম্পূর্ণ বিৱৰণ গ্রন্থপঞ্জীত দিয়া হয় । এমএলএ শৈলীত লেখকৰ নাম আৰু পৃষ্ঠা নম্বৰৰ সৈতে পাঠৰ মাজত উদ্ধৃতি ব্যৱহাৰ কৰা হয়, আনহাতে বিতং বিৱৰণ শেষৰ প্রসংগ সূত্র পৃষ্ঠাত দেখা যায়। চিকাগো শৈলীয়ে ইন-টেক্সট উদ্ধৃতিৰ বাবে পাদটীকা (ফুটনোট) বা শেষটোকা (এণ্ডনোট) আৰু সম্পূর্ণ বিৱৰণৰ বাবে গ্রন্থপঞ্জী দুয়োটা প্রদান কৰে। গৱেষণাৰ প্রণালী আৰু পদ্ধতিৰ ই এক গুৰুত্বপূর্ণ স্তৰ। তলৰ উদাহৰণলৈ মন কৰক-

গ্রন্থৰ নামঃ *Introduction to Research Methods. A Practical Guide for Anyone Undertaking a Research Project*, লেখকঃ C. Dawson , প্রকাশকঃ Oxford University Press, সংস্কৰণঃ চতুর্থ, প্রকাশৰ চনঃ ২০০৯, ধৰা হওক উদ্ধৃত ব্যাখ্যা ৪৫ পৃষ্ঠাত আছে।

এই গ্রন্থখনত পাঠৰ ভিতৰৰ আৰু সম্পূর্ণ উদ্ধৃতি বেলেগ বেলেগ শৈলীত এনেধৰণৰ হ'ব-

এপিএ (আমেৰিকান চাইক'লজিকেল এছ'চিয়েচন) শৈলী

পাঠৰ ভিতৰত উদ্ধৃতিঃ (Dawson, 2009)

সম্পূর্ণ উদ্ধৃতিঃ Dawson, C. (2009). *Introduction to Research Methods. A Practical Guide for Anyone Undertaking a Research Project* (4th ed.). Oxford University Press.

এমএলএ (মডার্ণ লেংগুৱেজ এছ'চিয়েচন) শৈলী

পাঠৰ ভিতৰত উদ্ধৃতিঃ (Dawson 45)

সম্পূর্ণ উদ্ধৃতিঃ Dawson, *C. Introduction to Research Methods. A Practical Guide for Anyone Undertaking a Research Project*. 4th ed., Oxford University Press., 2009.

চিকাগো মেনুৱেল শৈলী

পাঠৰ ভিতৰত উদ্ধৃতিঃ (Dawson 2009, 56)

সম্পূৰ্ণ উদ্ধৃতিঃ Dawson, C. 2009. *Introduction to Research Methods. A Practical Guide for Anyone Undertaking a Research Project.* 4th ed. Oxford University Press.

হাৰ্ভাৰ্ড শৈলী

পাঠৰ ভিতৰত উদ্ধৃতিঃ (Dawson, 2009)

সম্পূৰ্ণ উদ্ধৃতিঃ Dawson, C. (2009) *Introduction to Research Methods. A Practical Guide for Anyone Undertaking a Research Project.* 4th ed. Oxford University Press.



চিন্তা-চৰ্চা কৰক-১৩.১

আপোনাৰ হাতত থকা কিতাপ এখনৰ সবিশেষ উৎস লিখাৰ ওপৰৰ শৈলীকেইটাৰ দৰে সজাবলৈ যত্ন কৰক।

১৩.৬ গৱেষণা প্রক্রিয়া

আমি ইতিমধ্যেই জানিছোঁ যে, গৱেষণা এক বিশেষ পদ্ধতিগত প্রক্রিয়া। গোটেই প্রক্রিয়াটো গৱেষকসকলে কোনো বিশেষ বিষয় বা প্রশ্নৰ অনুসন্ধান আৰু বুজিবলৈ অনুসৰণ কৰা এক পদ্ধতিগত যাত্রা। ইয়াৰ লগত তথ্য সংগ্রহ, তথ্য বিশ্লেষণ আৰু অর্থপূর্ণ সিদ্ধান্ত লোৱা একাধিক পদক্ষেপ জড়িত হৈ থাকে।

গৱেষণা প্রক্রিয়াত কেইবাটাও মূল পদক্ষেপ বা স্তৰ আছে। এইবিলাকে গৱেষকসকলক তেওঁলোকৰ গৱেষণামূলক প্রশ্নসমূহ নিৰূপণৰ পৰা তাৰ সমাধান সূত্র বিচাৰ আৰু উপস্থাপন কৰালৈকে পথ প্রদর্শন কৰে। এই স্তৰসমূহ এনেধৰণৰঃ

- **প্রশ্ন বা সমস্যা নির্ণয়ঃ** গৱেষণামূলক প্রশ্ন বা সমাধান কৰিবলগীয়া সমস্যাটো স্পষ্টকৈ উল্লেখ কৰা।
- **সাহিত্যৰ পর্যালোচনাঃ** গৱেষণা বিষয়ৰ সৈতে জড়িত উপলব্ধ বর্তমানৰ অধ্যয়ন আৰু তথ্য অন্বেষণ কৰা।
- **কল্পনা বা উদ্দেশ্য প্রণয়নঃ** গৱেষণাৰ বাবে নির্দিষ্ট বক্তব্য বা লক্ষ্য থিৰ কৰা।
- **গৱেষণা পৰিকল্পনাঃ** অধ্যয়নৰ সামগ্রিক পৰিকল্পনা আৰু গঠনৰ ওপৰত সিদ্ধান্ত লোৱা।
- **তথ্য সংগ্রহঃ** জৰীপ, সাক্ষাৎকাৰ, বা পৰীক্ষাৰ দৰে পদ্ধতিৰ জৰিয়তে তথ্য সংগ্রহ কৰা।

- **তথ্য বিশ্লেষণঃ** উপযুক্ত সঁজুলি আৰু কৌশল ব্যৱহাৰ কৰি সংগ্রহ কৰা তথ্য পৰীক্ষা আৰু ব্যাখ্যা কৰা।
- **সিদ্ধান্ত গ্রহণঃ** গৱেষণামূলক প্রশ্নৰ উত্তৰৰ বাবে তথ্য বিশ্লেষণৰ পৰা অর্থপূর্ণ অন্তর্দৃষ্টি আহৰণ কৰা।
- **ফলাফলঃ** প্রতিবেদন, প্রবন্ধ, গৱেষণা পত্রৰ জৰিয়তে সিদ্ধান্তসমূহ উপস্থাপন কৰা।



১৩.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- গৱেষণাৰ আঁচনি-সাৰ হৈছে গৱেষণা প্রকল্পৰ সংক্ষিপ্ত সাৰাংশ বা আভাস। ই গৱেষণাৰ মূল উপাদান, উদ্দেশ্য আৰু ফলাফলসমূহ সামৰি লয়।
- এটা সু-নির্মিত আঁচনি-সাৰৰ পৰা নিসৃত গৱেষণা পৰিকল্পনাই গৱেষকসকলক সংগঠিত হৈ থাকিবলৈ, অপ্রয়োজনীয় প্রসংগ এৰাই চলিবলৈ আৰু অধ্যয়ন দক্ষতাৰে আগবাঢ়ি যাবলৈ সহায় কৰে। গৱেষণাক স্পষ্ট, স্বচ্ছ আৰু ফলপ্রসূ কৰি তোলে।
- প্রাপ্ত সাহিত্যৰ পুনৰীক্ষণে গৱেষণা প্রক্রিয়াক পথ প্রদর্শন কৰে। গৱেষকসকলক উপলব্ধ জ্ঞানৰ ওপৰত স্থিতি আৰু পদক্ষেপ লোৱাত সহায় কৰে। ইতিপূর্বে হৈ যোৱা অন্বেষণ আৰু প্রচেষ্টা অনর্থক পুনৰ কৰাৰ পৰা বিৰত ৰাখে আৰু গৱেষণামূলক প্রশ্নসমূহ পৰিশোধন কৰি নতুন প্রশ্ন আৰু সিদ্ধান্ত উপনীত হ'বলৈ সহায় কৰে।
- গৱেষণা পৰিকল্পনা হৈছে গৱেষণা এক মৌলিক স্তৰ আৰু নথি যিয়ে অধ্যয়নৰ পথ পদ্ধতিগত কৰি তোলে। গৱেষণাৰ গাঁথনি, মনোযোগ, নৈতিকতা, স্বচ্ছতা, বিশ্বাসযোগ্যতা এই অতাইবোৰ দিশ প্রাক্-কল্পনাৰ ওপৰতেই নির্ভৰ কৰে ।
- গৱেষণাত তথ্যই অর্থপূর্ণ অন্তর্দৃষ্টি প্রদান কৰাৰ লগতে সিদ্ধান্তৰ ভেটি তৈয়াৰ কৰে। উদাহৰণস্বৰূপে, চিকিৎসা বিজ্ঞানৰ অধ্যয়নত ৰোগীৰ ৰক্তচাপ বা তেজৰ আন আন উপাদানৰ মাত্রাৰ পৰিৱর্তনৰ জোখ-মাখ চাই ঔষধৰ ফলপ্রসূতাৰ পৰিমাণগত তথ্য আহৰণ কৰা হয়। আনহাতে, ৰোগীৰ অভিজ্ঞতা আৰু চিকিৎসাৰ ধাৰণা বুজিবলৈ সাক্ষাৎকাৰৰ জৰিয়তে গুণগত তথ্য সংগ্রহ কৰা হয়। দুয়োবিধ তথ্যৰ সহায়ত গৱেষণামূলক প্রশ্নটোৰ বিষয়ে ধাৰণা স্পষ্ট কৰা হয়।
- প্রাথমিক বা মুখ্য উৎসই বিষয় সম্পর্কে প্রাথমিক আৰু প্রত্যক্ষ সমল-তথ্য প্রদান কৰে আৰু গৌণ সমলে মুখ্য সমলৰ স্বৰূপ আৰু পৰিমণ্ডল বুজি উঠাত সহায় কৰে। বিশ্বাসযোগ্যতা গঢ়ি তোলা আৰু গৱেষণামূলক অধ্যয়নত কৰা দাবীসমূহ সমর্থন কৰাত উৎসসমূহেই বিশেষ ভূমিকা পালন কৰে।
- গৱেষণা প্রক্রিয়াত কেইবাটাও মূল পদক্ষেপ বা স্তৰ আছে। এইবিলাকে গৱেষকসকলক তেওঁলোকৰ গৱেষণামূলক প্রশ্নসমূহ নিৰূপণৰ পৰা তাৰ সমাধান সূত্র বিচাৰ আৰু উপস্থাপন কৰালৈকে পথ প্রদর্শন কৰে।



১৩.৮ অধিক জানিবলৈ

Booth, W. C., Colomb, G. G., & Williams, J. M. (2008). *The Craft of Research* (3rd ed.). University of Chicago Press.

Creswell, J. W. (2013). *Research Design: Qualitative, Quantitative, and Mixed Methods Approaches* (4th ed.). SAGE Publications.

Kumar, R. (2011). *Research Methodology: A Step-by-Step Guide for Beginners* (3rd ed.). SAGE Publications.

Kothari, C. R. (2004). *Research Methodology: Methods and Techniques* (2nd ed.). New Age International Publishers.

Leedy, P. D., & Ormrod, J. E. (2015). *Practical research. Planning and design* (11th ed.). Boston,

কলিতা, ৰঞ্জন (সম্পা.) (২০১৭)। *গৱেষকৰ হাতপুথি* । বান্ধৱ।

শইকীয়া, নগেন (২০১১)। *গৱেষণা পদ্ধতি পৰিচয়*। কৌস্তুভ প্রকাশন।



১৩.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ প্রাপ্ত সাহিত্য বুলিলে আমি কি বুজো... ইয়াৰ প্রয়োজনীয়তা... ই গৱেষকক কেনেদৰে সহায় কৰে ইত্যাদি কথাবোৰ জুকিয়াই লিখিব।

২নং প্রশ্নৰ উত্তৰ ঃ তথ্য বুলিলে কি বুজে... তথ্যৰ বিভিন্ন প্রকাৰবোৰ উদাহৰণসহ লিখিব... গৱেষণাত তথ্যবোৰে কি কাম কৰে ইত্যাদি প্রসংগবোৰ লিখিব।



১৩.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ প্রাপ্ত সাহিত্যৰ পুনৰীক্ষণ বুলিলে কি বুজে ? ই গৱেষকক কেনেদৰে সহায় কৰে লিখক।

প্রশ্ন ২ ঃ গৱেষণাৰ প্রাক-কল্পনা কি ? ইয়াৰ ভূমিকা কেনেধৰণৰ ?

প্রশ্ন ৩ ঃ তথ্য বুলিলে কি বুজে ? গৱেষণাত তথ্যৰ গুৰুত্ব কেনেধৰণৰ লিখক।

প্রশ্ন ৪ ঃ তথ্যৰ উৎসই কোনবোদ দিশ বুজায় ?

প্রশ্ন ৫ ঃ চমুটোকা লিখক-- গৱেষণা প্রক্রিয়া

*** ***** ***